समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ১

ভূ-পৃষ্ঠৰ পৰিৱৰ্তন

অংশ – ৪ (অনুশীলনী)

শ্ৰাৱণী দেৱী

অনুশীলনী

১। ভূপৃষ্ঠত মহাদেশ আৰু মহাসাগৰৰ বিতৰণৰ এটি আভাস দিয়া।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৃথিৱীৰ উপৰিভাগ মহাদেশ (স্থলভাগ) আৰু মহাসাগৰে (জলভাগ) গঠিত । ইয়াৰে ৭১ শতাংশ জলভাগে আৰু বাকী ২১ শতাংশ স্থলভাগে আগুৰি আছে। মহাদেশ কেইখনৰ ভিতৰ ভাগত সমভূমি, পাহাৰ-পর্বত, মালভূমি, নদী-উপত্যকা, মৰুভূমি, উপকূলীয় সমতল আদি দেখা যায়।

সেইদৰে মহাসাগৰ কেইখনতো পানীত বুৰ গৈ থকা অৱস্থাত আছে মালভূমি, সমতল, গভীৰ খাত, পাহাৰৰ লানি, প্ৰবাল প্ৰাচীৰ আদি অৱয়ব । তদুপৰি মহাসাগৰত সৰু – ডাঙৰ বহুতো দ্বীপো দেখা যায় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। ভূপৃষ্ঠৰ পৰিৱৰ্তন কিয় ঘটে ব্যাখ্যা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভূ- পৃষ্ঠত কিছুমান বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকৰ ফলত পৰিৱৰ্তন অহৰহ সংঘটিত হৈ থাকে।

বাহ্যিক কাৰকবোৰ হ'ল – বতাহ, বৰষুণ সূৰ্যৰ উত্তাপ, হিমবাহ, নদী সাগৰৰ ঢৌ আদি ।
আভ্যন্তৰীণ কাৰকবোৰ হ'ল – ভূমিকম্প আৰু আগ্নেয়গিৰিৰ উদ্গীৰণ আদি ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। বাহ্যিক কাৰক মানে কি? কেইটামান বাহ্যিক কাৰকৰ নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-ভূ- পৃষ্ঠৰ পৰিৱৰ্তন বাহিৰৰ ফালৰ পৰা সংঘটিত হোৱাকে বাহ্যিক কৰক বোলে । কেইটামান বাহ্যিক কাৰকৰ নাম হ'ল সুৰ্যৰ উত্তাপ, বতাহ, বৰষুণ, নদ-নদী, হিমবাহ, সাগৰৰ ঢৌ আদি ।

তদুপৰি ভূ -পৃষ্ঠত থকা গছ – গছনি, জীৱ-জন্তু আদি জৈৱিক কাৰকেও ভূ পৃষ্ঠৰ পৰিৱৰ্তনত কম- বেছি পৰিমাণে অৰিহণা যোগায় ।

৪। ভূমিকম্প আৰু আগ্নেয় উদ্‌দ্গীৰণক কিয় আভ্যন্তৰীণ কাৰক বুলি কোৱা হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- আভ্যন্তৰীণ কাৰকবোৰ আমি নেদেখাকৈ পৃথিৱীৰ অন্তর্ভাগত ক্রিয়া কৰি থাকে । আভ্যন্তৰীণ কাৰকবোৰৰ ভিতৰত ভূমিকম্প আৰু আগ্নেয় উদ্গীৰণ প্রধান। আভ্যন্তৰীণ কাৰকবোৰে মহাদেশৰ অন্তর্ভাগৰ লগতে মহাসাগৰৰ তলিৰ অন্তর্ভাগতো ক্রিয়া কৰিব পাৰে । এইবোৰ কাৰকে সাধাৰণতে ভূ-পৃষ্ঠৰ লগতে মহাসাগৰৰ তলি ভাগতো অসমান কৰি ৰখাত অৰিহণা যোগায় । ভূমিকম্প সংঘটিত হ'লে মহাদেশৰ বা মহাসাগৰৰ তলি ভাগৰ কোনো অংশ উঠি আহিব পাৰে । আগ্নেয়গিৰি উদ্গীৰণ হ'লে ভূমিকম্প হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। নদী অৱবাহিকা বুলিলে কি বুজায়? নদী অৱবাহিকাৰ এটি চিত্ৰ আঁকা।




সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ- এখন নদীয়ে ইয়াৰ উপনদী, শাখানদী, আদিৰ যোগেদি একো একোটা এলেকাৰ পানী কঢ়িয়াই নিয়ে । এনেদৰে এখন নদীয়ে পানী কঢ়িয়াই নিয়া একোটা এলেকাক অৱবাহিকা বুলি কোৱা হয়। একোখন নদীৰ ক্রিয়া সাধাৰণতে অৱবাহিকাতে সীমাবদ্ধ হৈ থাকে ।



নদী অৱবাহিকা

৬। উপনদী কি? ব্রহ্মপুত্রৰ দুখন প্রধান উপনদীৰ নাম লিখা।




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- উৎসৰ পৰা সমভূমিৰ মাজেৰে বৈ অহা প্রধান নদীসমূহত মিলিত হোৱা শাখা নদীসমূহক উপনদী বোলে। ব্রহ্মপুত্রৰ দুখন প্রধান উপনদী হ'ল –

(১) পুঠিমাৰি আৰু

(২) ভৰলু।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। নদীৰ খনন কাৰ্যৰ এটি আভাস দিয়া।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- নদীৰ খনন কার্য বহুতো কাৰকৰ ওপৰত নির্ভৰ কৰে। তাৰ ভিতৰত নদীৰ গতিপথৰ ভূতাত্ত্বিক গঠন আৰু পানীৰ খনন শক্তিয়েই প্রধান। পানী নদীৰে প্রবাহিত হওঁতে গতিপথত যি হেঁচা প্রয়োগ হয়, সেই হেঁচাই গতিপথত পানীৰ সংস্পর্শলৈ অহা শিল-বালিৰ ওপৰত ক্রিয়া কৰে। ইয়াকে জলচালিত ক্রিয়া বুলি কোৱা হয়। এই ক্রিয়াৰ ফলত গতিপথত থকা শিল-বালিবোৰ সহজে এৰি যায় আৰু সেইবোৰ নদীৰ দ্বাৰা বাহিত হয়। মধ্যাশংত ভৈয়ামৰ ঢাল কমি যোৱাৰ ফলত নদীয়ে পার্শ্ব খনন কৰিবলৈ আৰম্ভ কৰে । নদীৰ নিম্নাশংত খনন নদীৰ খনন ক্ষমতা একেবাৰে কমি যায় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। নদীৰ পাৰ্শ্বখনন বুলিলে কি বুজায়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ- উচ্চ ভূমিৰ থিয় ঢালেৰে বৈ আহি ভৈয়ামত প্ৰৱেশ কৰাৰ পিছত নদীৰখনন শক্তিৰ পৰিৱৰ্তন ঘটে। কাৰন উচ্চভূমি অঞ্চলত নদীৰ গতিবেগ প্ৰৱল, গতি পথ ঠেক আৰু দ। সেয়েহে ভৈয়ামলৈ ঢাল কমি অহাৰ বাবে নদীৰ গতিবেগ হ্ৰাস পাই আহে আৰু সোঁতে কঢিয়াই অনা গেদবোৰ ক্ৰমে জমা হ'বলৈ ধৰে । ইয়াৰ ফলত নদীৰ গভীৰতা কমি আহে । এনেদৰে নদীৰ গভীৰতা কমি অহাৰ ফলত পানীভাগ বোৱাই নিয়াৰ কাৰণে নদীয়ে দুয়োপাৰত খনন কাৰ্য চলাই গতিপথ বাহলাবলৈ বাধ্য হয় । নদীৰ এনেদৰে হোৱা খনন কাৰ্যকে পাৰ খনন বা পাৰ্শ্বখনন বোলা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। অশ্বখুৰা হ্ৰদ কি? চিত্ৰৰ সহায়ত ইয়াৰ সৃষ্টি কেনেকৈ হয় বুজোৱা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation




উত্তৰঃ- এখন নদী সমতলৰ মৃদু ঢালেদি বৈ যাওঁতে ইয়াৰ গতিপথ স্বাভাৱিকতে একা-বেঁকা হৈ পৰে । ইয়াৰ উপৰিও নদীৰ পার্শ্বখনন কার্যই ইয়াৰ গতিপথ আৰু অধিক একা-বেঁকা কৰি তোলে । নদীৰ এনে গতিক বক্রগতি বা সর্পিল গতি বুলি কোৱা হয় । নদীৰ এই গতি ইমানেই ভাঁজযুক্ত হৈ পৰে যে কোনো কোনো ঠাইত বাৰিষাৰ বৃহৎ পৰিমাণৰ পানী কম সময়ৰ ভিতৰত নদীখনে কঢ়িয়াব নোৱাৰাত পৰে । সেই সময়তে নদীয়ে নিজৰ গতি পোন কৰি গতিপথৰ ভাঁজ থকা অংশ এৰি দিয়ে । নদীয়ে এৰি দিয়া অংশ কিছুমান পিছলৈ হ্রদ বা বিলৰ ৰূপ লয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

এনেদৰে ঘোঁৰাৰ খুৰা আকৃতিৰ ৰূপ লোৱা হ্ৰদ বা বিলকে অশ্বখুৰা হ্ৰদ বোলা হয় ।



১০। প্লাবনভূমি কি আৰু ইয়াৰ সৃষ্টি কেনেকৈ হয় লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- প্লাৱনভূমি হ'ল নদীৰ অৱক্ষেপন কার্যৰ ফলত সৃষ্টি হোৱা একধৰণৰ অসমতল ভূমি । নদীয়ে গেদদসমূহ নদীৰ মধ্যগতি আৰু নিম্নগতি অংশত গতিপথৰ দুয়োপাৰে জমা হোৱাৰ ফলত পলসুৱা সমভূমি সৃষ্টি হয় ।

এইবোৰেই কালক্রমত এক প্রকাৰৰ সমভূমি গঢ়ি তোলে আৰু এই সমভূমিকে প্লাৱনভূমি বুলি কোৱা হয় । এই প্লাৱন ভূমিবোৰ সাৰুৱা আৰু কৃষিৰ বাবে উপযোগী ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। নদীৰ গতিপথৰ ক'ত কেনেকৈ বালিচৰৰ সৃষ্টি হয় লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- নদীৰ বুকুত বালি – বোকা জমা হৈ সৃষ্টি হোৱা বালিচৰবোৰ বহুতো দিশৰপৰা তাৎপর্য্যপূর্ণ । বালিচৰবোৰ কেতিয়াবা নৈৰ দাঁতিত আৰু কেতিয়াবা মাজভাগত গঢ়ি উঠে । এইবোৰ সাধাৰণতে অস্থায়ী আৰু বিভিন্ন আকাৰ – আকৃতিৰ । বাৰিষা নৈৰ প্ৰবল সোঁতে বালিচৰবোৰৰ আকাৰ – আকৃতিৰ পৰিৱর্তন ঘটায় । খৰালিকালত নদীৰ পানী কমি আহিলে বালিচৰবোৰ ভালদৰে ওলাই পৰে । আমাৰ ব্ৰহ্মপুত্ৰৰ বুকুত সৰু – বৰ অসংখ্য বালিচৰ দেখা যায় । কামৰূপ আৰু নলবাৰী জিলাৰ মাজত ব্ৰহ্মপুত্ৰৰ বুকুত কালাৰদিয়া নামৰ দ্বিতীয় মাজুলীসদৃশ আন এটা বালিচৰ দেখা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

১২। ব-দ্বীপৰ সৃষ্টি কেনেকৈ হয় লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ- নৈৰ মোহনাত গেদ জমা হৈ সৃষ্টি হোৱা দ্বীপবোৰ ভৌগোলিক দিশৰ পৰা বিশেষ তাৎপর্যপূর্ণ। উপকূলৰ কাষৰীয়া অগভীৰ সাগৰত , য'ত নৈ গৈ পৰে , তাতেই নৈয়ে কঢ়িয়াই অনা গেদ জমা হৈ দ্বীপৰ সৃষ্টি হয় । এই দ্বীপবোৰৰ আকৃতি অসমীয়াৰ 'ব' ৰ দৰে । সেয়ে এই দ্বীপবোৰক ব-দ্বীপ বোলা হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। মৰুভূমিত বতাহৰ ক্ৰিয়া কিয় প্ৰবল লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মৰুভূমিত উদ্ভিদৰ আৱৰণ অতি পাতলীয়া হোৱাৰ কাৰণে মৰু পৃষ্ঠত বতাহে সহজে ক্রিয়া কৰিব পাৰে । ধূলি – বালিবোৰ বতাহে অনায়াসে এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই নিব পাৰে । এনেদৰে কোনো অংশৰ পৰা ধূলি – বালি উৰুৱাই নিয়া কার্যক অৱনমন বোলে । অৱনমন প্রক্রিয়াৰ ফলত মৰু অঞ্চলত সঘনে ধূলিৰ ধুমুহাৰ উদ্ভৱ হয় । এনেদৰে অৱনমন প্রক্রিয়াৰ ফলত মৰু অঞ্চলত বতাহৰ ক্রিয়া প্রবল হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


১৪। অবনমন বুলিলে কি বুজায়?



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মৰুভূমিত উদ্ভিদৰ আৱৰণ অতি পাতলীয়া হোৱাৰ কাৰণে মৰু পৃষ্ঠত বতাহে সহজে ক্রিয়া কৰিব পাৰে । ধূলি – বালিবোৰ বতাহে অনায়াসে এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই নিব পাৰে । এনেদৰে কোনো অংশৰ পৰা ধূলি – বালি উৰুৱাই নিয়া কার্যক অৱনমন বোলে ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৫। বালিয়াৰিৰ সৃষ্টি কেনেকৈ হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা



Under CSR Support by
ipca | Foundation

উত্তৰঃ- অৱনমন প্ৰক্ৰিয়াৰে কঢ়িয়াই নিয়া ধূলি-বালিবোৰ যি ঠাইত জমা হয় , তাত মৰু পৃষ্ঠ ক্ৰমে ওখ হৈ পাহাৰৰ ৰূপ ল'ব পাৰে । এনে পাহাৰক বালিৰ পাহাৰ বা বালিয়াৰি বুলি কোৱা হয় । বতাহৰ ধৰ্ম , গতিপথ , শক্তি আৰু উদ্ভিদৰ আৱৰণ আদিৰ ওপৰত ভিত্তি কৰি বালিৰ পাহাৰৰ আকাৰ-আকৃতি বেলেগ বেলেগ হয় । তদুপৰি মৰুভূমিবোৰৰ প্ৰাকৃতিক পৰিৱেশ একে নোহোৱাৰ কাৰণেও বালিৰ পাহাৰবোৰৰ মাজত পাৰ্থক্য দেখা ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৬। ইন্‌ছেলবার্গ কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation





উত্তৰঃ- ইনছেলবার্গ হৈছে মৰুভূমিত অৱস্থিত একো একোটা ক্ষয়প্রাপ্ত চাপৰ পাহাৰ। জার্মান শব্দ 'ইনছেলবার্গ' ৰ অর্থ হৈছে দ্বীপৰ দৰে অকলশৰীয়া পাহাৰ বা পর্বত।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৭। হিমবাহৰ সংজ্ঞা দিয়া আৰু নদীৰ লগত ইয়াৰ পার্থক্য কি লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৃথিৱীৰ অতি শীতল অঞ্চলবোৰ উপৰিভাগ বৰফে ঢাকি ৰাখিছে । এনে অঞ্চলবোৰৰ ভিতৰত দুই মেৰু অঞ্চল আৰু অতি ওখ পৰ্বতবোৰৰ উচ্চ অংশবোৰ পৰে । এইবোৰত বৃহৎ পৰিমাণৰ বৰফ তৰপে তৰপে জমা হৈ আছে । সাধাৰণতে এনেদৰে জমা হৈ থকা বৰফবোৰ ভূ- পৃষ্ঠৰ ঢাল অনুসৰি লেহেম গতিৰে নামি আহে। এনেদৰে নামি অহা বৰফকে হিমবাহ বুলি কোৱা হয় ।

নদী আৰু হিমবাহৰ মাজত থকা পার্থক্যবোৰ হ'ল –

(ক) নদীৰ সোঁত প্রবল গতিৰ আৰু হিমবাহৰ সোঁত লেহেম গতিৰ।

(খ) নদী হ'ল বোৱতী পানীয়ে সৃষ্টি কৰা এক জলৰাশি আৰু হিমবাহ হ'ল পর্বতৰ ঢালেৰে নামি অহা বৰফ।

(গ) নদী গ্রীষ্ম প্রধান অঞ্চলত থাকে আৰু হিমবাহ শীত প্রধান অঞ্চলতহে থাকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৮। গ্রাব কি? চিত্র আঁকি বিভিন্ন শ্রেণীৰ গ্রাববোৰ দেখুওৱা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ- হিমবাহে বৰফৰ উপৰি অন্য বহুতো পদার্থ কঢ়িয়াই আনে । এনেদৰে কঢ়িয়াই অনা বৰফৰ বাহিৰে অন্য পদার্থবোৰকে গ্রাব বোলা হয় । গ্রাব চাৰিপ্রকাৰৰ যেনে –

(১) ভূমিগ্রাব:- হিমবাহ উপত্যকাৰ তলিয়েদি বৈ অহা গ্রাবক ভূমিগ্রাব বোলা হয়।


(২) পার্শ্ব গ্রাব :- হিমবাহৰ দাঁতিয়েদি বৈ অহা গ্রাবক পার্শ্বগ্রাব বুলি কোৱা হয়।


(৩) মধ্য গ্রাব:- কেতিয়াবা কোনো বিশেষ ঠাইত দুফালৰপৰা দুটা হিমবাহ মিলি দুয়োটাৰে পার্শ্বগ্রাব সংযোজিত হৈ ডাঙৰ হিমবাহটোৰ মাজেৰে উঠি যাবলৈ ধৰে। এনে গ্রাবক মধ্যগ্রাব বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(৪) প্রান্ত গ্রাব:- হিমবাহৰ শেষৰ সীমাত জমা হোৱা গ্রাবক প্রান্তগ্রাব বোলে।





समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৯। হিমবাহৰ ক্ৰিয়াৰ ফলত জোঙা শৃংগৰ সৃষ্টি কেনেকৈ হয় লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

উত্তৰঃ- পার্বত্য বা উপত্যকা হিমবাহবোৰ প্রধানকৈ ইউৰোপৰ আল্পছ উত্তৰ আমেৰিকা ৰকি আৰু এছিয়াৰ হিমালয় অঞ্চলত দেখা যায় । এইবিধ হিমবাহ সাধাৰণতে দুশাৰী পর্বতৰ মাজৰ উপত্যকাৰে নামি আহে । এনে হিমবাহে বৰফখণ্ডৰ লগতে সৰু – বৰ শিল , বালি , জৈৱিক পদার্থ আদি কঢ়িয়াই আনে ।

হিমবাহৰ গতিপথ দীঘলীয়া । পথালীয়ে ইয়াক U আকৃতিৰ হোৱা দেখা যায় । বাহিত পদার্থৰ দ্বাৰা ঘটা প্ৰৱল ঘর্ষণৰ ফলত গতিপথ গভীৰ আৰু থিয় ধৰণৰ হয় । কোনো কোনো পর্বতৰ গাৰে কেইবাটাও হিমবাহ নামি আহিব পাৰে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



তেতিয়া সকলো ফালৰপৰা চলা খননৰ ফলত পর্বতৰ শীর্ষাংশ জোঙৰ দৰে হয়।

এইবোৰক হিমবাহে সৃষ্টি কৰা শৃংগ বোলা হয়। আল্পছ আৰু হিমালয় পর্বতত এনে ক্ষয়জনিত জোঙা শৃংগ বহুতো আছে।


समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২০। উপকূল কাক বোলে?



উত্তৰঃ- সাগৰ মহাসাগৰৰ পাৰ বা তীৰক উপকূল (Coast) বোলা হয় ।





समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২১। বালিয়াতট কি? ইয়াৰ গুৰুত্ব সম্বন্ধে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- উপকূলৰ পাৰ অংশত জমা হোৱা গেদ, বিশেষকৈ বালিৰ পৰিমাণ বেছি হ'লে তাত স্বাভাৱিকভাৱেই এক প্ৰকাৰৰ সমতল সদৃশ অৱয়ৰ সৃষ্টি হয় । প্ৰধানকৈ বালি জমা হৈ সৃষ্টি হোৱা কিছু ঢালযুক্ত এনে অৱয়বক বালিয়াতট বুলি কোৱা হয় ।

সাগৰৰ উত্তাল তৰংগ আৰু উভতনি ঢৌৰ মিলিত ক্ৰিয়াৰ ফলত উপকূলত এনে ধৰণৰ অৱয়ব গঢ়ি উঠে । এই ধৰণৰ তটৰ বালি অতি মিহিৰ পৰা শিলৰ আকাৰ হ'ব পাৰে । উপকূলৰ বালিয়াতটবোৰে মানুহক বিনোদনৰ কাৰণে আকৰ্ষণ কৰে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২২। সাগৰ-মহাসাগৰৰ টোৱে উপকূলৰ কেনে ধৰণে পৰিৱৰ্তন সাধন কৰে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সাগৰ – মহাসাগৰৰ উপকূল অঞ্চল তিনিটা প্ৰধান কাৰকৰ দ্বাৰা ক্ৰিয়া কৰি উপকূল অঞ্চলৰ ব্যাপক পৰিৱৰ্তন সাধন কৰে । এই কাৰক তিনিটা হ'ল –

(ক) বৰষুণ
(খ) বতাহ আৰু
(গ)সাগৰৰ ঢৌ

এই তিনিটা কাৰকৰ ভিতৰত সাগৰৰ ঢৌৱে অহৰহ ক্ৰিয়া কৰি উপকূল অঞ্চলৰ যথেষ্ট পৰিৱৰ্তন সাধন কৰে। অৱশ্যে পৃথিৱীৰ সকলো উপকূলতে ঢৌৱে প্ৰভাৱ একে নহয় ।

উপকূলৰ ভূতাত্ত্বিক গঠন, কাষৰীয়া সাগৰৰ গভীৰতা, নৈৰ উপস্থিতি , বতাহৰ ক্ৰিয়া, উপকূলীয় উদ্ভিদৰ আৱৰণ আদি বহুতো কাৰকৰ ওপৰত ঢৌৰ ধৰ্ম আৰু প্ৰাবল্য নিৰ্ভৰ কৰে । ঢৌৰ ক্ৰিয়াৰ ফলতেই সাগৰ – মহাসাগৰৰ উপকূলত কিছুমান অৱয়বৰ সৃষ্টি হৈছে । উপকুলত সৃষ্টি হোৱা এই অৱয়ববোৰৰ কিছুমান ক্ষয়জনিত আৰু কিছুমান অৱক্ষেপণজনিত হয় ।

সাগৰ – মহাসাগৰৰ ঢৌৱে ক্ৰিয়া কৰি উপকূলৰ তট অংশত বালিয়া তট অৱয়বৰ সৃষ্টি কৰে । উপকূল অঞ্চল পাহাৰীয়া আৰু টান শিলেৰে গঠিত হ'লে ঢৌৱে থিয় গৰাৰ সৃষ্টি কৰে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৩। তলত দিয়া কাৰক আৰু অৱয়ববোৰৰ কোনটো কাৰ সৃষ্টি কাঁড় চিনেৰে দেখুওৱা।



কাৰক	অৱয়ব
নদী	প্লাবনভূমি
বতাহ	বালিয়াতট
	ইন্‌ছেলবার্গ
	ব-দ্বীপ
	বালিৰ পাহাৰ
	পার্শ্বগ্রাব

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কাৰক

হিমবাহ



সাগৰৰ ঢৌ

অৱয়ব

জোঙা শৃংগ

বালিচৰ

V-উপত্যকা

অশ্বখুৰা হ্রদ

উপকূল

U-উপত্যকা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-



কাৰক	অৱয়ব
নদী	V উপত্যকা
	প্লাবনভূমি
	অশ্বখুৰা হ্ৰদ
	ব দ্বীপ
	বালিচৰ
বতাহ	ইনছেলবার্গ
	বালিৰ পাহাৰ
হিমবাহ	U উপত্যকা
	জোঙা শৃঙ্গ
	পার্শ্ব গ্রাব
সাগৰৰ ঢৌ	বালিয়াতট
	উপকূল

২৪। ভূপৃষ্ঠত ভৱিষ্যতে কেনে ধৰণৰ পৰিৱৰ্তন ঘটিব পাৰে চিন্তা কৰি লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভূ-পৃষ্ঠত বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকবোৰে অবিৰতভাৱে ভূ-পৃষ্ঠৰ পৰিৱৰ্তন সাধন কৰি আছে। সাধাৰণতে আভ্যন্তৰীণ প্ৰক্ৰিয়াবোৰ হঠাতে ভূ – পৃষ্ঠৰ ব্যাপক পৰিৱৰ্তন সাধন কৰে। এনে প্ৰক্ৰিয়াই (ভূমিকম্প, আগ্নেয়গিৰি উদ্গীৰণ) প্ৰায়ে ভূ – পৃষ্ঠৰ সমতা নষ্ট কৰি ইয়াক ঠাই বিশেষে ওখ – চাপৰ কৰি তোলে ।

আনহাতে বাহ্যিক কাৰকবোৰ নানা প্ৰকাৰে ক্ৰিয়া কৰি ভূ – পৃষ্ঠৰ ওখ চাপৰ বোৰ কমাই আনি ইয়াক সমতা প্ৰদান কৰিবলৈ চেষ্টা কৰে ।

বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকবোৰে ক্ৰিয়া কৰি থকাৰ বাবে আমাৰ পৃথিৱীৰ উপৰিভাগে বৰ্তমানৰ ৰূপ গ্ৰহন কৰিছে । এইবোৰ কাৰকে ভৱিষ্যতেও ক্ৰিয়া কৰি ভূ – পৃষ্ঠৰ ৰূপৰ পৰিৱৰ্তন সাধন কৰে ।

